নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ (NEP-2020) অনুসৰি
ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ পৰা প্ৰবৰ্তন কৰা
চাৰি বছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰম (FYUGP) ৰ অন্তৰ্গত দক্ষতা বৃদ্ধি
পাঠ্যক্ৰম (AEC-1) ৰ বাবে প্ৰস্তুত কৰা প্ৰসংগ পুথি

# অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ

স্নাতক প্ৰথম ষাম্মাসিক AECASMI-4 ক্ৰেডিট (কলা, বাণিজ্য আৰু বিজ্ঞান)




সম্পাদনা ঃ
ড° প্ৰণৱ ফুকন
প্ৰতিম শইকীয়া

❁ *No part of this book may be reproduced in any form or by any means without prior written permission of the author & the publisher.*

❁ *The Author & the Publisher have made every effort to provide authentic, accurate & upto-date matter in this book. However they do not take any legal responsibility for any misrepresentations or errors inadvertently overlooked.*

---

প্ৰকাশক ঃ

পাৰ্থ প্ৰতীম দাস
শান্তি পুস্তকালয়
সৰুপথাৰ - ৭৮৫৬০১
গোলাঘাট, অসম

গ্ৰন্থস্বত্ব ঃ সম্পাদকদ্বয়

প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০২৩

ISBN : 978-93-92483-06-6

মূল্য ঃ ২৩০.০০ ( টকা) মাত্ৰ

অক্ষৰ বিন্যাস ঃ ড° প্ৰণৱ ফুকন
শ্ৰীঅশোক চাহা

মুদ্ৰণ ঃ শিৱানী গ্ৰাফিক্স
গুৱাহাটী-২২

# ক্ৰমসূচী.....


অসমীয়া ভাষাৰ কথন আৰু লেখন কৌশল

- উচ্চাৰণৰ স্পষ্টতা আৰু শুদ্ধতা ... মালামণি গোস্বামী ১
- সাময়িক বিৰতি ... ড° ৰত্নজিৎ গগৈ ১০
- শব্দপ্ৰয়োগ আৰু বক্তৃতা ড° মালা হাজৰিকা ২৬
- অসমীয়া ভাষাৰ শব্দ প্ৰয়োগ ... ধ্ৰুৱজ্যোতি কোঁৱৰ ৩৪
- বাক্য গাঁথনি ... ধ্ৰুৱজ্যোতি কোঁৱৰ ৪৫
- আখৰ জোঁটনি আৰু শব্দগঠন ... ধ্ৰুৱজ্যোতি কোঁৱৰ ৬০
- জতুৱা প্ৰয়োগ ... ড° প্ৰণৱ ফুকন ৭৭
- ভাল লেখনৰ বৈশিষ্ট্য ... দিপুমণি গগৈ ৮১

অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ -১

- আবেদন পত্ৰ লিখন, কাৰ্যবিৱৰণি লেখন, স্মাৰক পত্ৰ লেখন ... মালামণি গোস্বামী ৯৩
- নিমন্ত্ৰণী পত্ৰ, বিজ্ঞাপন, প্ৰতিবেদন... প্ৰতিম শইকীয়া ১২৬

অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ -২

- বিদ্যায়তনিক প্ৰবন্ধ ৰচনা ... ৰিংকুমণি গগৈ ১৪৪
- সাহিত্য পাঠৰ সমালোচনা ... দিপুমণি গগৈ ১৫০

নিৰ্বাচিত পাঠৰ আধাৰত ভাষা -সাহিত্যৰ বোধগম্যতা

- যতীন্দ্ৰনাথ দুৱৰাৰ 'মোৰ শেষ পাঠ' ... ডেইজী বুঢ়াগোহাঁই ১৬০
- হেম বৰুৱাৰ 'ভাৰতীয় সংস্কৃতি' ... অঞ্জুমণি নাথ ১৬৭
- ড° হীৰেন গোহাঁইৰ 'মানুহ শংকৰদেৱ' ... ড° ৰত্নজিৎ গগৈ ১৭৫
- 'অসমীয়া চাহৰ আতি-গুৰি' ... কাকলি চুতীয়া ১৭৯
- 'অসমীয়া বৈজ্ঞানিক পৰিভাষা' ... ড° দীপশিখা কলিতা ১৮৬

# 'বিদ্যায়তনিক প্ৰবন্ধ' – বিষয়, ভাষা, ৰচনাশৈলী, লক্ষ্য আৰু উদ্দেশ্য

নিংকুমণি গগৈ

প্ৰবন্ধ শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— প্ৰকৃষ্ট বন্ধন। ভাব, ভাষা, চিন্তা আৰু সৃষ্টি কৌশলৰ এই বন্ধন। প্ৰবন্ধত ভাৱৰ উচ্ছাসৰ নিয়ন্ত্ৰণ, চিন্তাৰ যুক্তিপূৰ্ণ সুশৃংখল আৰু ভাষাৰ জীৱন্ত ৰূপ প্ৰকাশিত হ'ব লাগিব। বিদ্যায়তনিক প্ৰবন্ধসমূহ শৈক্ষিক দিশৰ লগত প্ৰধানভাৱে জড়িত। এই প্ৰবন্ধসমূহে শিক্ষাৰ্থীৰ চাহিদা পূৰণ কৰিব পৰাকৈ লিখাটো প্ৰথম চৰ্ত। শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা আৰু চাহিদা দুয়োটা দিশকে গুৰুত্ব দি বিষয়বস্তুৰ নিৰ্বাচন কৰাৰ লগতে এজন লেখকৰ সুশৃংখল, সুসংহত চিন্তা, দৃষ্টিভংগী আৰু অন্তৰত অনুভূত হোৱা তত্ত্বক যুক্তিৰে প্ৰতিষ্ঠা কৰিব পৰা নিজা মতবাদক সাৱলীল হৃদয়গ্ৰাহী আৰু প্ৰাণস্পৰ্শীভাৱে প্ৰকাশ কৰিব পৰাতো প্ৰবন্ধৰ বৈশিষ্ট্য। বিদ্যায়তনিক প্ৰবন্ধ ৰচনা কৰাৰ কলা-কৌশল আৰু পাৰদৰ্শিতা আয়ত্ত কৰাটো শিক্ষাৰ এটা অংগ।

**বিষয় ঃ**

বিদ্যায়তনিক প্ৰবন্ধত কোনো এটা মাত্ৰ নিৰ্দিষ্ট বিষয় সম্পৰ্কে আলোচনা কৰা হয়। আলোচনাৰ কাৰণে বাছি লোৱা বিষয়টোৰ বাহিৰে আন কোনো কথা আলোচনাৰ মাজলৈ টানি অনা উচিত নহয়। কোনো এটা বিষয়ত প্ৰবন্ধ ৰচনা লিখিবলৈ যাওঁতে প্ৰথমে বিষয়টোৰ ওপৰত এটা সামগ্ৰিক ধাৰণা কৰি লোৱাৰ লগতে লেখকৰ লিখিব লগা বিষয়টোৰ এখন মানচিত্ৰ চকুৰ আগত ভাঁহি থাকিব লাগিব। শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰবন্ধৰ বিষয়, প্ৰাণী, পদাৰ্থ, উদ্ভিদ আদি বিষয়ক, শিল্প বিষয়ক, স্থান বিষয়ক, ভ্ৰমণ, জীৱন-চৰিত, উৎসৱ, পূজা-পাৰ্বন, ঐতিহাসিক, পৌৰাণিক আদি বিভিন্ন বিষয় সামৰি ৰচিত হ'ব পাৰে। মননশীলতাই হৈছে প্ৰবন্ধৰ মূল ভিত্তি। তথ্য হৈছে প্ৰবন্ধৰ জঁকা। ভাল প্ৰবন্ধৰ বিষয়বস্তু চিন্তাৰ